**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-08-2024
**Time :** 0705 Hrs.

***Assamese Morning Bulletin***
***HEADLINES***
**-----------------------------**

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি পোলেণ্ড আৰু ইউক্ৰেইনৰ তিনি-দিনীয়া ভ্ৰমণসূচীৰে ৰাওনা হ'ব।
২।	উচ্চতম ন্যায়ালয়ে চিকিৎসা কৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে।
৩।	ভাৰত আৰু জাপানৰ মাজৰ টু প্লাছ টু বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত হয়।
৪।	কেন্দ্ৰীয় লোকসেৱা আয়োগে কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগৰ নিৰ্দেশ অনুযায়ী LATERAL ENTRYৰ বিজ্ঞাপন প্ৰত্যাহাৰ কৰিছে।
**আৰু**
৫।	আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে মহিলাৰ টি-২০ বিশ্বকাপৰ নৱম সংস্কৰণ বাংলাদেশৰ পৰা সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ইলৈ স্থানান্তৰিত কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি পোলেণ্ড আৰু ইউক্ৰেইনৰ তিনি-দিনীয়া ভ্ৰমণসূচীৰে ৰাওনা হ'ব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত পোলেণ্ডৰ ৰাজধানী ৱাৰছ'ত শ্ৰীমোদীক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হ'ব। প্ৰধানমন্ত্ৰীয়ে পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ডোনাল্ড টাস্কৰ সৈতে আলোচনাত মিলিত হোৱাৰ লগতে ৰাষ্ট্ৰপতি আন্দ্ৰেজ ডুডাক সাক্ষাৎ কৰিব। শ্ৰীমোদীয়ে লগতে দেশখনত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোক, আগশাৰীৰ ব্যৱসায়ী আৰু ভাৰতীয় ইতিহাস, সাহিত্য, দৰ্শন আৰু সংস্কৃতিৰ অধ্যয়ন কৰা বিশিষ্ট ব্যক্তিসকলৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব বিগত ৪৫ বছৰত কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম পোলেণ্ড ভ্ৰমণ। ভাৰত আৰু পোলেণ্ডে দেশ দুখনৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭০ বছৰ বাৰ্ষিকী উদযাপন কৰাৰ সময়তে প্ৰধানমন্ত্ৰী মোদী দেশখনলৈ যাবলৈ ওলাইছে। ভ্ৰমণকালত শ্ৰীমোদীয়ে পোলেণ্ডৰ সৈতে জামনগৰ আৰু কোলহাপুৰৰ বিশেষ সম্পৰ্কৰ স্মৃতি বিজড়িত বিভিন্ন স্মাৰক পৰিদৰ্শন কৰিব। পোলেণ্ড ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোদী পৰহিলৈ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ আমন্ত্ৰণ মৰ্মে ইউক্ৰেইনত উপস্থিত হ'ব। এয়া হ'ব ১৯৯২ চনত উভয় দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ পাছত কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম ইউক্ৰেইন ভ্ৰমণ।

0000000

উচ্চতম ন্যায়ালয়ে চিকিৎসা কৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন এখন বিচাৰপীঠে কালি কলকাতাৰ আৰ জে কৰ হাস্পতালত এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰৰ শুনানি গ্ৰহণ কৰি কাৰ্যবাহিনীটোক তিনি সপ্তাহৰ ভিতৰত অন্তৰৰ্তীকালীন প্ৰতিবেদন আৰু দুমাহৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন

দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্য ন্যায়াধীশগৰাকীয়ে কয় যে ন্যায়ালয়ে মহিলাসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে দেশজুৰি গ্ৰহণ কৰিবলগীয়া পৰিকল্পনা সন্দৰ্ভত পৰামৰ্শ আগবঢ়োৱাৰ বাবে দেশৰ সকলো চিকিৎসকক লৈ এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। বিচাৰপীঠখনে কলকাতা ধৰ্ষণ আৰু হত্যা কাণ্ডৰ ভুক্তভোগীগৰাকীৰ নাম, ফটো আৰু ভিডিঅ' আদি ততালিকে ছ'চিয়েল মিডিয়াৰ পৰা আঁতৰ কৰিবলৈ নিৰ্দেশ দিছে। ইয়াৰ উপৰি ন্যায়ালয়ে আৱাসিক চিকিৎসক বিশেষকৈ মহিলা চিকিৎসকলৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বাবে আৰ জি কৰ হাস্পতালত কেন্দ্ৰীয় ঔদ্যোগিক বাহিনীৰ জোৱান নিয়োগ কৰিবলৈ কৈছে। বিচাৰপীঠখনে  পশ্চিমবংগ চৰকাৰ আৰু চিকিৎসালয় কৰ্তৃপক্ষই গোচৰটোৰ তদাৰকৰ ক্ষেত্ৰত অৱলম্বন কৰা পন্থাক লৈ অসন্তুষ্টি প্ৰকাশ কৰিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে প্ৰক্ৰিয়াগত আঁসোৱাহৰ সমালোচনা কৰিছে আৰু বিশেষকৈ ঘটনাটো সন্দৰ্ভত এজাহাৰ ৰুজু কৰাত হোৱা বিলম্ব তথা স্থানীয় আৰক্ষী তথা চিকিৎসালয় প্ৰশাসনে সাক্ষ্য প্ৰমাণ বিনষ্ট নোহোৱাৰ বাবে অপৰাধ সংঘটিত স্থানত উচিত ব্যৱস্থা গ্ৰহণ নকৰাক লৈ ক্ষোভ প্ৰকাশ কৰিছে।

সমগ্ৰ দেশত চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলৰ কামৰ অসুৰক্ষিত বাতাবৰণক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি ন্যায়ালয়ে কয় যে বৰ্তমানৰ আইন স্বাস্থ্য কৰ্মীৰ সুৰক্ষাৰ দিশৰ পৰা পৰ্যাপ্ত নহয়। ন্যায়ালয়ে কয় যে প্ৰণালীগত বিষয়সমূহ সমাধানৰ উদ্দেশ্যে ই কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ বিষয়টো সন্দৰ্ভত নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিছে। ন্যায়ালয়ে লগতে ৰাষ্ট্ৰই তৃণমূল পৰ্যায়ৰ পৰিৱৰ্তনৰ বাবে অন্য এটা ধৰ্ষণ আৰু হত্যালৈ বাট চাব নোৱাৰে। ছাৰ্জন ভাইচ এডমিৰেল আৰ ছৰিন, ডাঃ ডি নাগেশ্বৰ ৰেড্ডী, ডাঃ এম শ্ৰীনিবাস, ডাঃ প্ৰতিমা মূৰ্তি, ডাঃ গোৱৰ্ধন দত্তপুৰী, ডাঃ সুমিত্ৰা ৰাৱট, দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ হৃদৰোগ বিভাগৰ মুৰব্বী প্ৰফেছৰ অনিতা চাক্সেনা, মুম্বাইৰ গ্ৰাণ্ট চিকিৎসা মহাবিদ্যালয়ৰ ডীন প্ৰফেছৰ পল্লৱী ছাপ্ৰে, অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ স্নায়ুতত্ব বিভাগৰ ডাঃ পদ্মা শ্ৰীবাস্তৱক লৈ এই কাৰ্যবাহিনী গঠন কৰা হৈছে। বৃহস্পতিবাৰে গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে। বিচাৰপীঠখনে কয় যে মহাৰাষ্ট্ৰ, কেৰালা, তেলেংগানা আদি ৰাষ্ট্ৰই চিকিৎসকৰ বিৰুদ্ধে সংঘটিত হিংসাত্মক ঘটনা ৰোধ কৰাৰ বাবে ৰাজ্যিক আইন যুগুতাই উলিয়াইছে যদিও এয়া পৰ্যাপ্ত নহয়।

০০০০০০০

ভাৰত আৰু জাপানৰ মাজৰ টু প্লাছ টু অৰ্থাৎ প্ৰতিৰক্ষা আৰু বিদেশ মন্ত্ৰী পৰ্যায়ৰ বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ, জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী কিহাৰা মিনোৰু আৰু বিদেশ পৰিক্ৰমা মন্ত্ৰী য়'কো কামিকাৱাই এই আলোচনাত ভাগ লয়। বৈঠকত মন্ত্ৰীকেইগৰাকীয়ে দ্বিপাক্ষিক সহযোগিতাৰ পৰ্যালোচনা চলায় আৰু দুয়ো দেশৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বিভিন্ন উপায়ৰ অন্বেষণ কৰে। তেওঁলোকে লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈ মত বিনিময় কৰে। বৈঠকৰ অন্তত জাৰি কৰা এটা প্ৰেছ বিবৃতিত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ গুৰুত্বপূৰ্ণ পক্ষ হিচাপে ভাৰত আৰু জাপানক বিভিন্ন কাৰণত এলেকাটোৰ মূল্যৱান প্ৰহৰী বুলি গণ্য কৰা হয়। সেয়েহে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ শান্তি আৰু সুস্থিৰতাৰ বাবে ভাৰত আৰু জাপানৰ মাজৰ সহযোগিতা অতিকে গুৰুত্বপূৰ্ণ বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰেছ্ বিবৃতিত কয় যে বৈঠকত প্ৰতিৰক্ষা আৰু সুৰক্ষা সন্দৰ্ভত বিস্তৃত আৰু ফলপ্ৰসূ আলোচনা হয়।

০০০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগে কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগৰ নিৰ্দেশ অনুযায়ী আমোলাতন্ত্ৰত LATERAL ENTRY অৰ্থাৎ চৰকাৰৰ বাহিৰৰ ব্যক্তিক মধ্যক্ৰম আৰু জ্যেষ্ঠ পদবীত পোনপটীয়া নিযুক্তিৰ বিজ্ঞাপন প্ৰত্যাহাৰ কৰিছে। ইয়াৰ পূৰ্বে চৰকাৰে কালি কেন্দ্ৰীয় লোকসেৱা আয়োগক লেটাৰেল এণ্ট্ৰীৰ বিজ্ঞাপন প্ৰত্যাহাৰ কৰিবলৈ কৈছিল। কেন্দ্ৰীয় লোকসেৱা আয়োগে কিছুদিন পূৰ্বে বিভিন্ন মন্ত্ৰালয়ত ৪৫গৰাকী যুটীয়া সচিব, সঞ্চালক আৰু উপ-সচিব নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল। বিৰোধী দলসমূহে এই বিজ্ঞাপনৰ তীব্ৰ বিৰোধিতা কৰিছিল।

০০০০০০০

৯ আগষ্টত অনিৰ্দিষ্ট কালৰ বাবে কাৰ্যক্ৰমণিকা স্থগিত ৰখা সংসদৰ উভয় সদনৰ অধিবেশন ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি আনুষ্ঠানিকভাৱে স্থগিত ৰখাৰ কথা ঘোষণা কৰে। লোকসভা আৰু ৰাজ্যসভাই সুকীয়া বিবৃতিযোগে কৈছে যে সদনৰ অধিবেশন স্থগিত ৰাখা হৈছে। উল্লেখযোগ্য যে সংসদৰ বাজেট অধিবেশন ২২ জুলাইত আৰম্ভ হৈছিল।

০০০০০০০

কৰ্মচাৰী ভৱিষ্য নিধি সংস্থাত যোৱা জুন মাহত ১৯ লাখ ২৯ হাজাৰ নতুন সদস্য অন্তৰ্ভুক্ত হৈছে। সেই অনুসৰি যোৱা বছৰৰ এই একেই সময়ছোৱাৰ তুলনাত সদস্যৰ সংখ্যা ৭ দশমিক ৮-৬ শতাংশ বৃদ্ধি পাইছে। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে কৈছে যে কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধিকে ধৰি বিভিন্ন কাৰণত সংস্থাটোত অন্তৰ্ভুক্ত সদস্যৰ সংখ্যা বৃদ্ধি পাইছে। শেহতীয়া  তথ্য অনুসৰি যোৱা জুন মাহত প্ৰায় ১০ লাখ ২৫ হাজাৰ নতুন সদস্য সংস্থাটোত অন্তৰ্ভুক্ত হৈছে।

০০০০০০০

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে মহিলাৰ টি-২০ বিশ্বকাপৰ নৱম সংস্কৰণ বাংলাদেশৰ পৰা সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ ইউ এ ইলৈ  স্থানান্তৰিত কৰিছে। অৱশ্যে বাংলাদেশ এই সংস্কৰণৰ আনুষ্ঠানিক আয়োজক হৈ থাকিব। প্ৰতিযোগিতাৰ খেলসমূহ ৩ৰ পৰা ২০ অক্টোবৰলৈ ডুবাই আৰু শ্বাৰজাহত অনুষ্ঠিত হ'ব।

০০০০০০০

ভাৰতীয় পেৰালিম্পিক কমিটীয়ে আগন্তুক পেৰিছ পেৰালিম্পিক গেমছ,২০২৪ৰ বাবে ভাৰতীয় দলটোৰ ছেফ-দি-মিছন হিচাপে সত্য প্ৰকাশ সাংৱানক নিযুক্তি দিছে। সাংৱান ভাৰতীয় পেৰালিম্পিক কমিটীৰ উপ-সভাপতি। সাংৱানে ১২টা ক্ৰীড়া শাখাৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া ৮৪গৰাকী পেৰা এথলীটক নেতৃত্ব দিব। ভাৰতৰ পেৰালিম্পিক কমিটীৰ সভাপতি দেৱেন্দ্ৰ ঝাঝাৰিয়াই কয় যে সত্য প্ৰকাশ সাংৱান এটা দশকৰো অধিক সময় ধৰি ভাৰতৰ পেৰালিম্পিক কমিটীৰ অবিচ্ছেদ্য অংগ হৈ আছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কাইলৈ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে এই সময়ছোৱাত বাংলাদেশৰ মধ্য ভাগত সৃষ্টি হোৱা নিম্নচাপৰ প্ৰভাৱত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। পশ্চিমবংগ, বিহাৰ, ঝাৰখণ্ড আৰু ওড়িশাকে ধৰি দেশৰ পূব অংশতো পৰৱৰ্তী কেইদিনমানত বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কালি নতুন দিল্লীত ৬০ খন সুলভ মূল্যৰ দোকানক জনপোষণ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ এটা পৰীক্ষামূলক কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই উপলক্ষে শ্ৰীযোশীয়ে কয় যে, জনপোষণ কেন্দ্ৰসমূহে সুলভ মূল্যৰ দোকানীসকলৰ আয় বৃদ্ধিত সহায় কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে মেৰা ৰেচন এপ, গুণগত মান ব্যৱস্থাপনা প্ৰণালী, গুণগত মান নিয়মাৱলীৰ হাতপুথি আৰু ভাৰতীয় খাদ্য নিগমৰ ঠিকাৰ নিয়মাৱলী আৰু পৰীক্ষাগাৰৰ এন এ বি এল স্বীকৃতিসহ ৫ টা অন্য কাৰ্যসূচীও মুকলি কৰে। শ্ৰীযোশীয়ে কয় যে এই উদ্যমসমূহে ব্যৱস্থাটোৰ স্বচ্ছতা বৃদ্ধি কৰিব। উল্লেখযোগ্য যে, খাদ্য আৰু ৰাজহুৱা বিতৰণ বিভাগে সুলভ মূল্যৰ দোকানীসকলক সহজ ঋণ প্ৰদানৰ উদ্দেশ্যে ভাৰতীয় ক্ষুদ্ৰ ঔদ্যোগিক বেংকৰ সৈতে বুজাবুজিৰ স্মাৰক পত্ৰ স্বাক্ষৰ কৰিছে।

০০০০০০০

নতুন দিল্লীত কালি কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে উৎপাদনৰ সৈতে জড়িত উদগনিমূলক আঁচনি পিএলআইৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে। আলোচনাৰ সময়ত অংশগ্ৰহণকাৰীসকলে নিজৰ প্ৰতিশ্ৰুতি, সফলতা, অভিজ্ঞতা, মতামত আৰু প্ৰত্যাহ্বানসমূহ প্ৰদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণকাৰীসকলক তেওঁলোকৰ আত্মনিয়োগ আৰু অৱদানৰ বাবে প্ৰশংসা কৰে। তেওঁ কয় যে অংশগ্ৰহণকাৰীসকলৰ মতামত আৰু ধাৰণাসমূহ অমূল্য আৰু বস্ত্ৰ খণ্ডত অবিৰত সফলতা, এটা সহযোগিতামূলক যোগাযোগ আৰু প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰশীল। বস্ত্ৰ খণ্ডৰ উন্নয়ন আৰু উদ্ভাৱনক সহায় কৰাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলিও মন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে। মন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণকাৰীসকলক বিনিয়োগ বৃদ্ধি কৰিবলৈও আহ্বান জনায়।

০০০০০০০

সমাপ্ত